# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**Date : 12-08-2025**
**Time : 18-00 HRS**

***Assamese Evening Bulletin***

-------------------

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজি গোৱা  আৰক্ষীৰ নৱ নিযুক্ত ৭০০ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী ড° প্ৰমোদ সাৱন্ত মুখ্য অতিথি হিচাপে আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰশিক্ষণ সমাপ্ত কৰা আৰক্ষী জোৱানসকলে পাছিং আউট পেৰেডত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লাচিত বৰফুকন পুলিচ একাডেমীত গোৱাৰ কনিষ্টবল সকলক প্ৰশিক্ষণ প্ৰদান কৰাটো অসমৰ বাবে আনন্দৰ কথা বুলি মন্তব্য কৰে। তেওঁ কয়, যে গোৱা আৰু অসমৰ মাজৰ দূৰত্ব অধিক হোৱাৰ সত্ত্বেও এই জোৱানসকলক অসমত প্ৰশিক্ষণৰ জৰিয়তে আন্তঃৰাজ্যিক সমন্বয়ৰ উপৰি অসম আৰক্ষীৰ শৃংখলাবদ্ধ আৰু দক্ষ প্ৰশিক্ষণ ক্ষমতা প্ৰতিফলিত হৈছে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে যোৱা ১৫ মাৰ্চত লাচিত বৰফুকন পুলিচ একাডেমীখন উদ্বোধন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই একাডেমীত ধাৰাবাহিকভাৱে অসম আৰক্ষীৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। চলিত বছৰত মণিপুৰ আৰক্ষীত নিযুক্ত কণিষ্টবলকো এই একাডেমীত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি তেওঁ কয়।

উল্লেখযোগ্য যে গোৱা আৰক্ষীত নিযুক্ত প্ৰথম, দ্বিতীয় আৰু তৃতীয় ইণ্ডিয়া ৰিজাৰ্ভ বেটেলিয়নৰ ৭০০ গৰাকী কনিষ্টবলৰ ৫৬৯ গৰাকী পুৰুষ আৰু ১৩১ গৰাকী মহিলা। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী ড° প্ৰমোদ সাৱন্তে নিজৰ ভাষণত গোৱা আৰক্ষীৰ কনিষ্টবলসকলে  লাচিত বৰফুকনৰ দৰে এগৰাকী মহাবীৰৰ নামেৰে নামকৰণ কৰা একাডেমীত প্ৰশিক্ষণ লাভৰ সুযোগ পোৱা কথাটো আনন্দৰ কথা বুলি উল্লেখ কৰে। এই অনুষ্ঠানত অসম আৰক্ষীৰ জোৱানসকলে মটৰ চাইকেল চলোৱাৰ দুঃসাহসিক ক্ৰীড়া কৌশল প্ৰদৰ্শন কৰে। এই দীক্ষান্ত সমাৰোহত কৃষি মন্ত্ৰী অতুল বৰা, বিত্তমন্ত্ৰী অজন্তা নেওগ, ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটা, অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, গোৱা আৰক্ষীৰ সঞ্চালক প্ৰধান আলোক কুমাৰকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ooooo

ইয়াৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গোলাঘাট জিলা ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে দেৰগাঁৱৰ অসম আৰক্ষী সন্মিলন কেন্দ্ৰত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে অহা ৮ ছেপ্তেম্বৰৰ নুমলীগড় শোধনাগাৰৰ জৈৱ শোধনাগাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে এখন বিশাল জনসভাত অংশ ল’ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰীৰ এই কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ বাবে

ইয়াৰ প্ৰস্তুতিৰ বিভিন্ন দিশৰ বিষয়ে পৰ্যালোচনা কৰি সকলো কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে বৈঠকত সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পাছতে নগাঁও জিলাৰ ঢাকাপট্টি নামৰ অঞ্চলটোৰ নাম **ৰূপকোঁৱৰৰ চ'ক** নামেৰে নামকৰণ কৰা হৈছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি সংবাদমেলযোগে আনুষ্ঠানিকভাৱে এই ঘোষণা কৰে। শেহতীয়াকৈ ঢাকাপট্টিত সংঘটিত হোৱা এটা অনাকাংক্ষিত ঘটনাৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই অঞ্চলটোৰ নাম সলনি কৰাৰ নিৰ্দেশ দিছিল। বিধায়ক ৰূপক শৰ্মাৰ পৰিকল্পনাত অঞ্চলটোৰ নাম **ৰূপকোঁৱৰৰ চ'ক** নামেৰে নামকৰণ কৰা হৈছে বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ সংশ্লিষ্ট অঞ্চলটোৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক এমাহৰ ভিতৰত নামফলকত থকা ঢাকাপট্টিৰ পৰিৱৰ্তে **ৰূপকোঁৱৰৰ চ'ক** লিখিবলৈ আহ্বান জনায়।

০০০০

ভাৰতীয় গ্ৰন্থাগাৰ বিজ্ঞানৰ জনক ডাঃ এছ আৰ ৰংগনাথনৰ জন্মদিনটো আজি ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস হিচাপে উদ্‌যাপন কৰা হৈছে। প্ৰতি বছৰে ১২ আগষ্টৰ দিনটো গ্ৰন্থাগাৰ বিজ্ঞানৰ জনকগৰাকীৰ স্মৃতিত এই দিৱস হিচাপে পালন কৰি অহা হৈছে। শিৱসাগৰ জিলাৰ যুৱ দল প্ৰেক্ষাগৃহত অসম পুথিভঁড়াল সেৱা সঞ্চালকালয়ৰ উদ্যোগত আৰু শিৱসাগৰ জিলা পুথিভঁড়ালৰ সহযোগত দিনযোৱা কাৰ্যসূচীৰে আজি এই দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়োজিত মুকলি সভাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তৃতা আগবঢ়ায়। এই সভাত জিলাখনৰ তক্ষশীলা গোস্বামী আৰু প্ৰফুল্ল গগৈ শ্ৰেষ্ঠ পঢ়ুৱৈৰ সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন জিলাৰ গ্ৰন্থাগাৰিকসকলৰ লগতে জিলাখনৰ ৩ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই যৌথভাৱে আয়োজন কৰি অহা **অসম গ্ৰন্থমেলা** এইবছৰ ৰাজ্যখনৰ মুঠ ৮ টা স্থানত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় সভাকক্ষত আজি অনুষ্ঠিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই এই কথা প্ৰকাশ কৰে। সেইমৰ্মে ২২ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ বঙাইগাওঁ, ১ নৱেম্বৰৰ পৰা ১০ নৱেম্বৰলৈ লখিমপুৰ, ৬ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈ নলবাৰী, ১৪ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ যোৰহাট, ২৮ নৱেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ তিনিচুকীয়া, ১ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ শিলচৰ আৰু ১২ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ মঙলদৈত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। গুৱাহাটীত এইবাৰ হ'বলগীয়া অসম গ্ৰন্থমেলা পূৰ্বৰ বাৰ দিনৰ ঠাইত ১৪ দিনীয়াকৈ আয়োজন কৰা হ'ব। বিগত বছৰৰ দৰে গুৱাহাটীৰ খানাপাৰৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অহা ২৪ ডিচেম্বৰ ২০২৫ ৰ পৰা ৬ জানুৱাৰী ২০২৬ লৈ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত